অসম

জুবিন গার্গৰ ন্যায়ৰ দাবীত ২২ নৱেম্বৰত খানাপাৰাত সমাৱেশৰ আহ্বান মানস ৰবিনৰ

জুবিন গার্গৰ মৃত্যুৰ এবছৰ পাছতো ন্যায়ৰ দিশত অগ্রগতি নোহোৱাৰ অভিযোগ তুলি খানাপাৰাত ৰাজহুৱা সমাৱেশৰ আহ্বান জনাইছে মানস ৰবিনে।

প্রকাশ: ৭ নৱেম্বৰ ২০২৬, আবেলি ৪:১১



(NewzNow)

জুবিন গার্গৰ মৃত্যুৰ এবছৰ পাছতো ন্যায়ৰ দিশত বিশেষ অগ্রগতি নোহোৱাক লৈ অসন্তুষ্টি প্রকাশ কৰি ২২ নৱেম্বৰত গুৱাহাটীৰ খানাপাৰা খেলপথাৰত এক ৰাজহুৱা সমাৱেশৰ আহ্বান জনাইছে শিল্পী মানস ৰবিনে।

এক সংবাদমেলত মানস ৰবিনে কয় যে জুবিন গার্গক অসমৰ কোনো মানুহে বেয়া নাপায়। তেওঁৰ মতে, জুবিন গার্গৰ বাবে ৰাইজে এক ডাঙৰ পদক্ষেপ গ্রহণ কৰাৰ প্রয়োজন আছিল যদিও এবছৰ পাৰ হৈ যোৱাৰ পাছতো চৰকাৰ, ৰাইজ অথবা শিল্পী সমাজে বিশেষ একো কৰিব পৰা নাই।

অসমৰ সকলো প্রান্তৰ ৰাইজৰ লগতে বিশেষকৈ যুৱ প্রজন্ম, কলেজ আৰু বিশ্ববিদ্যালয়ৰ শিক্ষার্থীসকলক ২২ নৱেম্বৰত খানাপাৰাত উপস্থিত থাকিবলৈ আহ্বান জনায় মানস ৰবিনে। লখিমপুৰ, ধেমাজিৰ পৰা ধুবুৰী, শদিয়া, কার্বি আংলং আৰু ডিমা হাছাওলৈকে সকলোকে এই সমাৱেশত অংশগ্রহণ কৰিবলৈ তেওঁ আহ্বান জনায়।

জুবিন গার্গক ৰাজনৈতিকৰ কৰা হৈছে বুলিও শিল্পীগৰাকীয়ে অভিযোগ কৰে। ৰাজনৈতিক ক্ষেত্রৰ লোকসকলে

বহু কথা মুকলিকৈ ক'ব নোৱাৰে বুলি মন্তব্য কৰি তেওঁ কয় যে, তেওঁলোকে কোনো বাধা বা ভয় নোহোৱাকৈ মুকলিকৈ আলোচনা কৰিব পাৰে।

সমাৱেশত মুখামুখিকৈ বহি আলোচনা কৰাৰ লগতে জুবিন গার্গৰ নামত ভাল কাম কৰাৰ বাবে কিবা এটা সিদ্ধান্ত গ্ৰহণৰ পৰিকল্পনা আছে বুলি মানস ৰবিনে জনায়।

অৱশ্যে ২২ নৱেম্বৰৰ কার্যসূচীৰ বাবে প্ৰশাসনৰ পৰা এতিয়ালৈকে অনুমতি লাভ কৰা নাই বুলি সংবাদমেলত স্পষ্ট কৰে মানস ৰবিনে। তেওঁ জনোৱা মতে, অনুমতি বিচাৰি আবেদন কৰা হৈছে। অসমৰ স্বাৰ্থত আৰু জুবিন গার্গক ভাল পোৱা ৰাইজৰ স্বাৰ্থত প্ৰশাসনে অনুমতি দিব লাগিব বুলিও তেওঁ মন্তব্য কৰে।

এই খবৰটো NewzNow-ত প্ৰথমে প্ৰকাশ হৈছিল। সম্পূৰ্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/1063/zubeen-garg-khanapara-rally-manas-robin